# চীনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰই অৰুণাচল প্ৰদেশ সন্দৰ্ভত দিয়া মন্তব্যৰ ওপৰত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰৰ উত্তৰ

১৯ মাৰ্চ ২০২৪

**অৰুণাচল প্ৰদেশ সন্দৰ্ভত চীনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰই কৰা মন্তব্য সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰ শ্ৰী ৰণধীৰ জয়ছোৱালে এইদৰে কয়:**
"আমি চীনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মুখপাত্ৰই ভাৰতীয় অৰুণাচল প্ৰদেশ ৰাজ্যৰ ভূখণ্ডৰ ওপৰত অযৌক্তিক দাবী আগবঢ়োৱা মন্তব্যবোৰ মন কৰিছো। এই সন্দৰ্ভত ভিত্তিহীন যুক্তিৰ পুনৰাবৃত্তি কৰাৰ কোনো বৈধতা নাই। অৰুণাচল প্ৰদেশ ভাৰতৰ এক অবিচ্ছেদ্য অংশ হৈ আছিল,হৈ আছে আৰু হৈ থাকিব। এই ৰাজ্যৰ জনসাধাৰণ আমাৰ উন্নয়নমূলক কাৰ্যসূচী আৰু আন্তঃগাঁথনি প্ৰকল্পৰ পৰা লাভান্বিত হৈ থাকিব।"

**নতুন দিল্লী**
**১৯ মাৰ্চ ২০২৪**